# 2019

# ADVANCE ASSAMESE

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. Nos. **1–5** carry **5** marks each* | 5×5 = 25 |
| *Q. No. **6** carries **3** marks each* | 2×3 = 6 |
| *Q. No. **7** carries **1** mark each* | 4×1 = 4 |
| *Q. No. **8** carries **6** marks each* | 1×6 = 6 |
| *Q. No. **9** carries **14** marks each* | 1×14 = 14 |
| *Q. Nos. **10–11** carry **5** marks each* | 2×5 = 10 |
| *Q. Nos. **12** carries **10** marks each* | 1×10 = 10 |
| *Q. No. **13** carries **6** marks each* | 1×6 = 6 |
| *Q. No. **14** carries **2** marks each* | 2×2 = 4 |
| *Q. Nos. **15–17** carry **5** marks each* | 3×5 = 15 |
| | Total =100 |

১। (ক) কি পৰিস্থিতিত শিৱই খেতি কৰিবলৈ সন্মত হৈছিল? শিৱৰ কৃষি কৰ্মৰ *এটি* বৰ্ণনা দিয়া। ২+৩=৫

*অথবা*

(খ) চামুৰাই কোন? 'চামুৰাই' কবিতাটিৰ আধাৰত চামুৰাইৰ উপৰি পুৰুষৰ পৰিচয় দাঙি ধৰা। ১+৪=৫

২। প্ৰসংগ সংগতি দৰ্শাই তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা ঃ ২+৩=৫

(ক) মাধৱেসে পিতামাতা মাধৱেসে প্ৰাণ।
মাধৱত পৰে কোন বন্ধু আছে আন।।

(খ) সিন্ধু মথনত উঠা বিষ অগ্নি স্ৰোত
শিৱ বিনে কোনে কৰে ৰোধ?

৩। তলত দিয়া *যিকোনো এজন* কবিৰ চমু পৰিচয় দিয়া ঃ ৫

হেম সৰস্বতী, প্ৰসন্নলাল চৌধুৰী, মহেন্দ্ৰ বৰা।

৪। তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ ৫×১=৫

(ক) বধকাব্যৰ ৰচক কোন?
(খ) হেমচন্দ্ৰ গোস্বামীৰ জোনাকীত প্ৰকাশিত প্ৰথম কবিতাটিৰ নাম কি?
(গ) 'জিলিকনি' কবিতা পুথিৰ ৰচক কোন?
(ঘ) 'মৃত্যুঞ্জয়' মানে কি?
(ঙ) 'হাৰাকিৰি'ৰ অৰ্থ লিখা।

৫। (ক) শংকৰদেৱে শিশুকালত কি কি অলৌকিক কাৰ্য প্ৰদৰ্শন কৰিছিল, লিখা। ৫

*অথবা*

(খ) 'ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা' প্ৰবন্ধটিৰ আধাৰত ইউৰোপীয় আৰু ভাৰতীয় শিক্ষাৰ পাৰ্থক্যসমূহৰ বিষয়ে লিখা। ৫

৬। তলৰ *যিকোনো দুটাৰ* বিষয়ে চমু টোকা লিখা ঃ ২×৩=৬

কুসুমদেউ, কৃষ্ণকান্ত সন্দিকৈ, অৰ্জুন, সত্যেন্দ্ৰনাথ শৰ্মা।

৭। চমু উত্তৰ দিয়া ঃ ৪×১=৪

(ক) 'হৰিচন্দ্ৰোপাখ্যান' কাৰ ৰচনা?
(খ) 'গেৰিবল্ডি' কোন?
(গ) ডষ্টয়েভ্স্কিয়ে ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা।
(ঘ) 'আলংকাৰিক' কাক কোৱা হয়?

৮। 'টিকেন্দ্ৰজিৎ' কোন শ্ৰেণীৰ নাটক? নাটকখনত কেইটা অংক আছে? নাটকখনত 'ঠঙাল জেনেৰেল' চৰিত্ৰটিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ১+১+৪=৬

৯। (ক) *যিকোনো দুটা* চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা ঃ ২×৩=৬
টিকেন্দ্ৰজিৎ, আগুঁচা, গ্ৰিমউদ, চন্দ্ৰলেখা।

(খ) "পিছে তোমাৰ বাঘৰ লগত খেল শেষ হৈ গৈছে। এইবাৰ খেলিব লাগিব সিংহৰ লগত.....।" কোনে কাক এই কথাষাৰ কৈছিল আৰু কোন সিংহৰ লগত খেলাৰ কথা কৈছিল, চমুকৈ লিখা। ১+১+৪=৬

(গ) টিকেন্দ্ৰজিতে চন্দ্ৰলেখাক ক'ত আৰু কাৰ আশ্ৰয়ত এৰি থৈ গৈছিল? ১+১=২

১০। (ক) 'যীশুখৃষ্টৰ ছবি' গল্পটোত গোৰা চিপাহীজনৰ পিতৃ হৃদয়ৰ স্বৰূপ কেনেদৰে প্ৰকাশ হৈছে লিখা। ৫

*অথবা*

(খ) 'অন্তৰৰ অতি গুপুত কোণত সেইবোৰ কি কথা লুকাই আছে?' — মঞ্জুলাৰ অন্তৰত কি কথা লুকাই আছিল, 'ভ্ৰষ্টলগ্ন' গল্পটিৰ আধাৰত বুজাই লিখা। ৫

১১। (ক) গোৰা চিপাহীজনৰ ছোৱালী দুজনীৰ নাম কি আছিল? ২

(খ) নিৰুপমা বৰগোহাঞিঃ কোনখন কাকতৰ সহকাৰী সম্পাদক আছিল? ১

(গ) 'ভ্ৰষ্টলগ্ন' গল্পটি প্ৰথমে ক'ত প্ৰকাশ হৈছিল আৰু পৰৱৰ্তী সময়ত কোনখন সংকলনত গল্পটি সংকলিত হৈছে? ২

১২। (ক) ছন্দ কাক বোলে? ই কেই প্ৰকাৰৰ? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দিয়া। ২+১+৩=৬

(খ) তলৰ *যিকোনো দুটাৰ* সূত্ৰ লিখি উদাহৰণ দিয়া ঃ ২+২=৪
চৰণ, পদ বা পয়াৰ, ছবি, লেচাৰি।

১৩। (ক) কবিতাৰ *এটি* সংজ্ঞা লিখা। কবিতাৰ বৈশিষ্ট্যসমূহ সামৰি *এটি* টোকা প্ৰস্তুত কৰা। ১+৫=৬

*অথবা*

(খ) নাটক বুলিলে কি বুজা? নাটকৰ উপাদানসমূহ উল্লেখ কৰি *যিকোনো এটা* উপাদানৰ বিষয়ে আলোচনা কৰা। ২+৪=৬

১৪। চমু টোকা লিখা ঃ *(যিকোনো দুটাৰ)* ২×২=৪
পৌৰাণিক নাটক, নাটকৰ সংলাপ, চনেট, বেলাড।

১৫। চন্দ্ৰকুমাৰ আগৰৱালা *অথবা* হেমচন্দ্ৰ গোস্বামীৰ কাব্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰা। ৫

১৬। অসমীয়া নাট্য সাহিত্যলৈ চন্দ্ৰধৰ বৰুৱা *অথবা* দুৰ্গেশ্বৰ শৰ্মাৰ অৱদান সম্পৰ্কে চমুকৈ লিখা। ৫

১৭। চমু উত্তৰ দিয়া ঃ ৫×১=৫

(ক) কোনখন নাটক ৰচনাৰে লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হৈছিল?

(খ) 'ফুলৰ চাকি' কাৰ ৰচনা?

(গ) 'বিজুলী' আলোচনীখন কোন চনত প্ৰকাশ হৈছিল?

(ঘ) 'আহোমৰ দিন' কোনে ৰচনা কৰিছিল?

(ঙ) চন্দ্ৰধৰ বৰুৱাৰ প্ৰকাশিত কবিতা পুথিখনিৰ নাম কি?

———×———